# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–HC–5026

( অসমীয়া ব্যাকৰণ )

( Honours Core )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা *এটা* বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) অসমীয়া ভাষাত অসমীয়া ভাষাৰ প্ৰথমখন ব্যাকৰণ কোনে ৰচনা কৰিছিল ?

(খ) "ব্যাকৰণ মাত্ৰেৰে তলিখন ফুটা (All grammars leak)" কথাষাৰ কোনে কৈছিল ?

(গ) বাগযন্ত্ৰৰ আটাইতকৈ কাৰ্যক্ষম উচ্চাৰণকৰণটোৰ নাম কি ?

(ঘ) 'ধ্বনি বিজ্ঞানৰ ভূমিকা' নামৰ গ্ৰন্থখনৰ লিখকগৰাকীৰ নাম কি ?

(ঙ) অসমীয়া ভাষাত উষ্ম ধ্বনিৰ সংখ্যা কেইটা ?

(চ) স্বৰৰ অনুনাসিকতা অসমীয়া ভাষাত বিশিষ্টনে ?

(ছ) শূন্য বিভক্তি কাক বোলে ?

(জ) ব্যাকৰণত বচন কাক বোলে ?

(ঝ) নতুন বাগ্‌বিজ্ঞানত বাক্য বিশ্লেষণৰ তাত্ত্বিক দুৱাৰ কোনে মুকলি কৰিছিল ?

(ঞ) কি বাক্যৰ পৰা ৰূপান্তৰিত বাক্য সাজিব পাৰি ?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া ভাষাৰ ইংৰাজী মাধ্যমেৰে ৰচনা কৰা, প্ৰথম আৰু দ্বিতীয় ব্যাকৰণ দুখন কোনে ৰচনা কৰিছিল ?

(খ) বিভাজ্য আৰু অবিভাজ্য ধ্বনিৰ দুটা পাৰ্থক্য লিখা।

(গ) অসমীয়া ভাষাৰ কাৰক সাধনৰ উপায় দুটা কি কি ?

(ঘ) নিয়ত (Stop) ধ্বনি মানে কি ? উদাহৰণ দি বুজাই লিখা।

(ঙ) গঠনৰ ফালৰ পৰা অসমীয়া ভাষাত কেইশ্ৰেণীৰ পদ পোৱা যায় ? কি কি ?





৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) "ভাষাৰ ব্যাকৰণ নানা প্ৰকাৰৰ হ'ব পাৰে, যদিও তিনি প্ৰকাৰৰ বুলি আলোচনা কৰা হয়।" সেই তিনি প্ৰকাৰৰ ব্যাকৰণৰ নাম উল্লেখ কৰি পৰিচয় দিয়া।

(খ) সুৰ লহৰ বুলিলে কি বুজা ? অসমীয়া ভাষাত সুৰ লহৰৰ ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা।

(গ) ব্যাকৰণগত বিষয় কাক বোলে ? অসমীয়া ভাষাৰ সম্বন্ধ বুজোৱা বিশেষ্যৰ পুৰুষবাচক ৰূপবোৰ ব্যাকৰণগত বিষয়নে ? বুজাই লিখা।

(ঘ) বচন নিৰপেক্ষ ৰূপ কি ? ইয়াৰ পৰা একবচন আৰু বহুবচনৰ ৰূপ কেনেদৰে পাব পাৰি ? বুজাই লিখা।

(ঙ) নঞৰ্থক ক্ৰিয়া কাক বোলে ? অসমীয়া ভাষাৰ নঞৰ্থক ক্ৰিয়াপদৰ গঠন সম্পৰ্কে আলোচনা কৰা।

(চ) বাক্যৰ নিকটস্থ অংগ বা আসন্ন অংগ বুলিলে কি বুজা ? উদাহৰণৰ সহায়ত বিচাৰ কৰা।

৪। (ক) ব্যাকৰণ কাক বোলে ? ব্যাকৰণ ৰচনাৰ উদ্দেশ্য কি ? অসমীয়া ভাষাৰ ব্যাকৰণ চৰ্চাৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা। ১+২+৭=১০

*অথবা*

(খ) "অসমীয়া ভাষাৰ ব্যাকৰণৰ ইতিহাস অতি অৰ্বাচীন।" কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰি প্ৰচলিত ব্যাকৰণসমূহে অসমীয়া ভাষাৰ স্বকীয় ৰূপ উদ্‌ঘাটনত কিমানদূৰ সফল হৈছে, আলোচনা কৰা। ৪+৬=১০

৫। (ক) বিশিষ্ট ধ্বনি কাক বোলে? অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি কেইটা? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুসৰি এইবোৰৰ এখন তালিকা যুগুত কৰা। অসমীয়া ভাষাত এই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়? ১+১+৫+৩=১০

*অথবা*

(খ) শ্বাসাঘাত কাক বোলে? অসমীয়া ভাষাৰ শ্বাসাঘাতৰ প্ৰকাৰ আৰু ব্যৱহাৰ সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

৬। (ক) ব্যাকৰণ সিদ্ধ লিংগ কাক বোলে? লিংগ ভেদ বুজাবলৈ অসমীয়া ভাষাত কি কি উপায় অবলম্বন কৰা হয়, উদাহৰণৰ সহায়ত আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) মুক্ত প্ৰাকৃতি আৰু বদ্ধ প্ৰাকৃতি কাক বোলে? অসমীয়া ভাষাৰ সৰ্গৰ শ্ৰেণী বিভাজন সম্পৰ্কে আলোচনা কৰা। ১+১+৮=১০

৭। (ক) বাক্যতত্ত্ব বুলিলে কি বুজা? ভাৱ আৰু গঠন অনুসৰি অসমীয়া ভাষাৰ বাক্যক কি কি ভাগত ভগাব পাৰি, উদাহৰণৰ সহায়ত বুজাই লিখা। ২+৮=১০

*অথবা*

(খ) বাক্যতাত্ত্বিক বিশ্লেষণ কাক বোলে? চমস্কিৰ খণ্ডবাক্য গঠনৰ নিয়ম অনুসৰি অসমীয়া বাক্যৰ বিশ্লেষণ সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

* * *